This Question paper consists of **27** questions and **4** printed pages.

Roll No. | | | | | | | | | | | |

# ASSAMESE

# অসমীয়া

**Code No. 50/S/A/A**

# (228)

**SET A**

**Day and Date of Examination** .......................................................................

**Signature of Invigilator** 1. .........................................

2. .........................................

---

**সাধাৰণ নির্দেশাৱলী :**

1. প্ৰশ্ন কাকতৰ প্ৰথম পৃষ্ঠাত পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নং সঠিককৈ লিখিব ।

2. পৰীক্ষাৰ্থীয়ে প্ৰশ্ন কাকতৰ প্ৰথম পৃষ্ঠাৰ শীৰ্ষত উল্লেখ কৰা মতে প্ৰশ্ন বহীখনত মুঠ প্ৰশ্নৰ সংখ্যা ক্ৰমানুসাৰে আছে নে নাই আৰু পৃষ্ঠাৰ সংখ্যা ঠিক মতে আছে নে নাই নিশ্চিত হৈ লব লাগিব ।

3. বস্তুনিষ্ঠ প্ৰশ্নৰ ক্ষেত্ৰৰ (A), (B), (C), (D) বিকল্প সমূহৰ পৰা যি কোনো এটা শুদ্ধ উত্তৰ বাছি বেলেগে দিয়া উত্তৰ বহীত তাক চিহ্নিত কৰিব ।

4. বস্তুনিষ্ঠ প্ৰশ্ন সহিতে সকলোবোৰ প্ৰশ্নৰ উত্তৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰিব লাগিব । বস্তুনিষ্ঠ প্ৰশ্নৰ বাবে বেলেগে কোনো অতিৰিক্ত সময় দিয়া নহব ।

5. নিৰ্দিষ্ট স্থানত বাহিৰে প্ৰশ্ন-উত্তৰ বহীৰ অন্য কোনো স্থানত ৰোল নং বা পৰীক্ষাৰ্থীৰ চিনাক্ত কৰণৰ যিকোনো তথ্য লিখিলে পৰীক্ষাৰ্থীৰ পৰীক্ষা বাতিল হব ।

6. উত্তৰ বহীত প্ৰশ্ন কাকতৰ সাংকেতিক সংখ্যা Code No. **50/S/A/A, Set A** উল্লেখ কৰিব ।

# ASSAMESE
# (228)

**সময় : 3 ঘন্টা** ] [ **পূৰ্ণমান : 100**

**নিৰ্দেশ :** সকলো প্ৰশ্নৰ উত্তৰ কৰা বাঞ্ছনীয় ।

**সাধাৰণ নিৰ্দেশাৱলী**

(1) পৰীক্ষাৰ্থীয়ে প্ৰতিটো প্ৰশ্নৰ তলত দিয়া স্থানত উত্তৰ লিখিব লাগিব । যদি উত্তৰ লিখাব স্থান কম হয় তেনে হলে শেষত দিয়া অতিৰিক্ত পৃষ্ঠাৰ প্ৰথমতেই প্ৰশ্ন নং লিখিব লাগিব ।

(2) বহুমুখী (Multiple choice) প্ৰশ্নৰ ক্ষেত্ৰত পৰীক্ষাৰ্থীয়ে বিকল্প বিলাকৰপৰা সঠিক উত্তৰ বাছিব লাগিব আৰু A, B, C অথবা D ৰ ভিতৰত যিটো সঠিক সেইটো প্ৰশ্নৰ সম্মুখত দিয়া বাকচত লিখিব লাগিব ।

(3) পৰীক্ষাৰ্থীয়ে একমাত্ৰ ফ্লেপৰ (Flap) নিৰ্দিষ্ট স্থানত নিজৰ ৰোল নং, নাম, পৰীক্ষা কেন্দ্ৰ সংখ্যা লিখিব লাগিব ।

1. "মোৰ দেশ" কবিতাটোৰ ৰচকজন – **1**

(A) বিনন্দচন্দ্ৰ বৰুৱা (B) নলিনীবালা দেবী

(C) শঙ্কৰদেৱ (D) হীৰেণ ভট্টাচাৰ্য্য

2. 'বায়খু' বা 'বায়খো' কোন জনগোষ্ঠিৰ প্ৰধান উৎসৱ ? **1**

3. অসমৰ গোৱালপাৰা জিলাৰ অতি জনপ্ৰিয় দৃশ্য-শ্ৰব্য কথাশৈলী – **1**

(A) কুশান গান (B) পালা গান

(C) যক্ষগান (D) পাঞ্চালি গান

4. লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা এখন খুহুতীয়া নাটৰ নাম লিখা । **1**

5. "বিদেশীৰ চকুথিৰ" – কবিয়ে কি দেখি বিদেশীৰ চকু থিৰ হোৱা বুলি কৈছে ? **1**

6. কেতেকী ফুল ফুলাৰ পিছত কেতেকী চৰাইজনীৰ অৱস্থা ? **1**

(A) তাইৰ কন্ঠ ৰুদ্ধ হব (B) তাইৰ দেহা ঢাল

(C) খাই মাটিত বাগৰি পৰিব (D) তাইৰ আনন্দ উভৈনদী হব

7. গহপুৰত পুলিচৰ গুলীচালনাত নিহত হোৱা বীৰাংগনা গৰাকী কোন ? **1**

8. সূৰ্য্যৰ অণকাৰী তীক্ষ্ণ ৰশ্মিবিধৰ নাম কি ? **1**

9. ৰাটালু যুদ্ধত কোনে, কি কাৰণে পৰাজিত হৈছিল ? **2**

10. মানুহ কিহৰ দ্বাৰা মহৎ হয় ? **1**

11. ‘কুত্তা’ বুলি কবিয়ে কিহক বুজাইছে ? **1**

12. তুলাৰাম সেনাপতিৰ পিতৃৰ নাম কি ? **1**

13. কবি নলিনীবালা দেবীক কি কবি বুলি জনা যায় ? তেওঁ তোমাৰ পাঠ্যপুথিত থকা ‘জনমভূমি’ কবিতাটাৰ জৰিয়তে কি ভাৱ জগাই তুলিছে ? **2**

14. চমু টোকা লিখা (যি কোনো এটাৰ) **4 × 1 = 4**
পথৰু ঘাট, ৰমজান মাহ ।

15. তোমাৰ অঞ্চলত থকা এখন ভঙা দলংৰ মেৰামতিৰ বাবে বিভাগীয় কৰ্তৃপক্ষলৈ বাতৰি কাকতৰ সম্পাদকৰ জৰিয়তে এখন চিঠি লিখা । **8**

16. প্ৰকৃতিৰ উপাদান কেইটা কি কি ? **3**

17. ভিন্ন জনগোষ্ঠিৰ লোক বিভিন্ন সময়ত অসমলৈ অহাৰ প্ৰধান কাৰণ তিনিটা কি কি ? **3**

18. “মই অসম্ভৱক সম্ভৱ কৰিম - লগে লগে মোৰ প্ৰানো দিম” – উক্ত কথাষাৰ কোনে কাক কি কাৰণত কৈছিল ? **3**

19. কোনখন পুথিৰ বাবে বেনুধৰ শৰ্ম্মাই সাহিত্য একাডেমীৰ বঁটা পাইছিল ? তোমাৰ পাঠ্যপুথিৰ তেওঁ ৰচনা কৰা পাঠটিৰ নাম লিখা । **3**

20. “জীৱন জেউতি” নাইবা “গড়গাঁত্ত” কবিতাটিৰ মূলভাৱ লিখা । **6**

21. প্ৰসংগ সংগতি দৰ্শাই যি কোনো দুছোৱা ব্যাখ্যা কৰা । **5 × 2 = 10**

(A) "ফান্দিলো মায়াৰ পাশে
কাল ব্যাধে ধায়া আসে
কাম ক্ৰোধ কুত্তা খেদি খাই ।"

(B) বস্ত্ৰহীনক বস্ত্ৰ দিয়া, নিৰাশ্ৰয়ক আশ্ৰয় দিয়া,
তোমাৰ ঘৰলৈ স্বৰ্গৰ শান্তি,
আনন্দ আৰু প্ৰেম নমাই আনা ।

(C) "সমস্যাবহুল ৰাজ্যখনৰ মূখ্যমন্ত্ৰী আৰু নিৰ্ভীক ৰণবীৰ এজন হেৰুৱাটো ডাঙৰ ৰাষ্ট্ৰীয় ক্ষতি ।"

22. এটা শব্দত প্ৰকাশ কৰা । **5 × 1 = 5**

যি সকলো জানে, যি তিৰোতাৰ স্বামীৰ মৃত্যু হৈছে, পাতলিয়াকৈ বহুসময় দি থকা বৰষুণ, গধূলি বা ৰাতি চকুৰে নেদেখা মানুহ, বহাগ বিহুৰ কালত বলা ধুমুহা ।

23. বিপৰীতাৰ্থক শব্দ লিখা । **5 × 1 = 5**

অধম, গোপন, ক্ষণ-স্থায়ী, ভাগ্যৱান, দিন ।

24. বাক্য ৰচনা কৰা (যি কোনো **4**টাৰ) **4 × 2 = 8**

অপত্য স্নেহ, লালিত-পালিত, চকুচৰহা, উঠি পৰি লাগ, থৰকা ছুটি হেৰা ।

25. সন্ধি ভাঙ্গা/পাতা : **5 × 1 = 5**

দুঃ + গতি, চলাচল, নমস্কাৰ, বেগী, নিৰ্মিত ।

26. ভাৱ সম্প্ৰসাৰণ কৰা (যি কোনো দুছোৱা) **6 × 2 = 12**

(A) অভ্যাসৰ নৰ কৰ্ণ পথে কৰে শৰ

(B) কুকুৰ চিকুন গিৰিহঁতৰ যশ ।

(C) কথাত কটা যায় কথাত বঁটা পায় ।

27. তলৰ যি কোনো বিষয়ৰ এখন ৰচনা লিখা । **10**

বাৰিষা কাল, মহৎলোকৰ জীৱনী, অসমৰ খনিজ তেল ।

---